# Regional News Unit

## AKASHVANI, Guwahati

## 0000000000

**Date :** 20-07-2024

**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::***

১।	শেহতীয়া বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ  আন্তঃমন্ত্ৰালয় প্ৰতিনিধি দলৰ ৰাজ্যৰ বিভিন্ন ঠাই পৰিদৰ্শন।

২।	নদীপৃষ্ঠৰ  বহনক্ষমতা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

৩।	ৰাজ্যৰ বিভিন্ন ঠাইত  ষ্টপ ডায়েৰিয়া শীৰ্ষক ৰাজ্যিক অভিযানৰ অধীনত ডায়েৰিয়া প্ৰতিৰোধ সজাগতা কাৰ্যসূচীৰ শুভাৰম্ভ।

৪।	বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত প্ৰায় এহেজাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ দেশলৈ প্ৰত্যাবৰ্তন। ***আৰু***

৫।	এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ  ইউ.এ.ইৰ মুখামুখি।

০০০

অসমৰ শেহতীয়া বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও প্ৰতিনিধি দল আজি ৰাজ্যত উপস্থিত হয়। কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়, গ্ৰামোন্নয়ন তথা কেন্দ্ৰীয় মীন মন্ত্ৰালয়ৰ প্ৰতিনিধিৰে গঠিত ইয়াৰে এটা দলে মাজুলীৰ শালমৰা আৰু জুগুনিধাৰী অঞ্চল দুটা পৰিদৰ্শন কৰাৰ অন্তত জিলাখনৰ সকলো বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। বৈঠকখনত প্ৰতিনিধি দলটোৱে বানত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিবলৈ বিভাগসমূহে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বুজ লয়। বৈঠকত জিলা আয়ুক্ত ড০ কাবেৰী বি শৰ্মাই জিলাখনৰ জনগাঁথনি, ভৌগোলিক পৰিসীমা আদিৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে জিলা প্ৰশাসনৰ অধীনৰ বিভাগসমূহে কৰি থকা কাম-কাজৰ বিষয়ে দলটোক অৱগত কৰে।

ইপিনে আন এটা প্ৰতিনিধি দলে আজি নগাঁৱত উপস্থিত হৈ জিলাখনৰ নগাঁও সদৰ ৰাজহ চক্ৰ আৰু কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাটাও বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তদুপৰি গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিব, জনশক্তি মন্ত্ৰালয়ৰ অধীক্ষক-অভিযন্তা, মৰাপাট উন্নয়ন সঞ্চালকালয়, কৃষি আৰু কৃষক কল্যাণ বিভাগৰ সঞ্চালক তথা ব্যয় বিভাগ, বিত্ত মন্ত্ৰালয়ৰ অৱৰ সচিবেৰে গঠিত দলটোৱে জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ বিভিন্ন বিভাগীয় মুৰববী বিষয়াসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে দলটোৱে নগাঁও পলিটেকনিকত স্থাপন বান সাহায্য শিবিৰ,কেঁকুৰিবাৰীৰ খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চল আৰু কলাইখোৱাৰ পলশাতো ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰাৰ উপৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে।

উল্লেখ্য যে প্ৰতিনিধি দলকেইটাই অসমৰ পৰা উভতি গৈ কেন্দ্ৰীয় চৰকাৰক বিস্তৃত প্ৰতিবেদন দাখিল কৰিব।

০০০

ৰাজ্যৰ জলসম্পদ আৰু তথ্য-জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কাছাৰ জিলাৰ কাতিগড়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ভাৰত বাংলাদেশ সীমান্ত ভ্ৰমণ কৰি কেইবাখনো শ্লুইছ গেট পৰিদৰ্শন কৰে। সমষ্টিটোত সীমান্ত পথ সংস্থাই নিৰ্মাণ কৰা ৬ খন শ্লুইছ গেট জলসম্পদ বিভাগে ২০২২ চনৰ পৰা পৰিচালনা কৰি আহিছে। আজি মন্ত্ৰীগৰাকীয়ে বলেশ্বৰ আৰু ফইস্কা শ্লুইচগেট পৰিদৰ্শন কৰি বিভাগীয় অভিযন্তা আৰু স্থানীয় নিৱাসীৰ পৰা গেটকেইখনৰ কাৰ্য ব্যৱস্থাৰ বিষয়ে বুজ লয়। শ্লুইচগেট কেইখনৰ  ৪০ খন শ্বাটাৰৰ ৩৩ খন বৰ্তমান কাৰ্যক্ষম হৈ থকা বুলি জানিবলৈ পোৱা গৈছে। বিসংগতিপূৰ্ণ ৭ খন শ্বাটাৰৰ মেৰামতিৰ ব্যৱস্থা বাৰিষাৰ পাছতে সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজক জানিবলৈ  দিয়ে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ ছয়োখন শ্লুইছগেট নিয়মীয়াকৈ চোৱাচিতা কৰিবলৈ স্থানীয় ৰাইজৰ ৬ খন কমিটি গঠন কৰি দিব বুলি ঘোষণা কৰে। কমিটিসমূহক শ্লুইছগেট চোৱাচিতা কৰাৰ বাবে বাৰ্ষিক ২৫ ৰ পৰা ৫০ হাজাৰ টকাকৈ পুঁজি যোগান ধৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

জলসম্পদ মন্ত্ৰীগৰাকীয়ে পাছত জিলাখনৰ বৰখোলাত উপস্থিত হৈ জাতিঙ্গা নৈৰ খহনীয়া পৰিদৰ্শন কৰে। খহনীয়া ৰোধৰ বাবে মন্ত্ৰী শ্ৰীহাজৰিকাই প্ৰয়োজনীয় কাৰ্যপন্থা গ্ৰহণ কৰিবলৈ বিভাগীয় অভিযন্তাক নিৰ্দেশ দিয়ে।

০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ চাবুৱা  পৌৰসভাৰ পদেন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। দায়িত্ব গ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে পৌৰসভাৰ অন্তৰ্গত এলেকাৰ উন্নয়ন সন্দৰ্ভত আঁচনি প্ৰস্তুত কৰিবলৈ দায়বদ্ধ বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত মন্তব্য কৰি কয় যে, অসমৰ নদীপৃষ্ঠসমূহৰ বহনক্ষমতা ক্ৰমাৎ কমি আহিছে। এই ক্ষমতা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে চিন্তা চৰ্চা অব্যাহত ৰাখিছে বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ, জলপথ পৰিবহন বিভাগৰ মন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড় চহৰৰ নালিয়াপুল অঞ্চলৰ বান পৰিস্থিতি পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত শ্ৰীসোণোৱালে ডিব্ৰুগড় নগৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় নলাসমূহৰ বেদখলৰ বিষয়টোত উদ্বেগ প্ৰকাশ কৰে। শ্ৰীসোণোৱালে কয় যে, নলাসমূহৰ সংকোচনৰ ফলত অঞ্চলটোত পানী জমা হৈছে আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰে বিপদসীমা পাৰ কৰিছে। চহৰখনৰ বান সমস্যা নিৰ্মূল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সৈতে সহযোগিতাৰে ব্যৱস্থা হাতত লব বুলি শ্ৰীসোণোৱালে আশ্বাস প্ৰদান কৰে।

০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আজি ষ্টপ ডায়েৰিয়া ৰাজ্যিক অভিযানৰ অন্তৰ্গত জিলা ভিত্তিক ডায়েৰিয়া প্ৰতিৰোধ সজাগতা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰা ৰাজ্যিক চিকিৎসালয়ত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ সঞ্চালিকা এম এছ লক্ষ্মীপ্ৰিয়াকে ধৰি অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। শিশুসকলক ডায়েৰিয়াৰ পৰা ৰক্ষা কৰাই হৈছে এই অভিযানৰ মূল লক্ষ্য। এই অভিযানৰ সময়ছোৱাত আশাকৰ্মী আৰু অংগনবাড়ী কৰ্মীসকলে গাঁৱে গাঁৱে গৈ ঘৰে ঘৰে অ আৰ এছ, জিংক টেবলেট ইত্যাদিৰ সেৱনৰ প্ৰয়োজনীতা সম্পৰ্কত অৱগত কৰিব।

ডায়েৰিয়া বিৰোধী এই অভিযানৰ অধীনত চিৰাং জিলাৰ বামুণগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰতো আজি দুমহীয়া বিশেষ সজাগতা কাৰ্যসূচী আৰম্ভ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ চিৰাং জিলাৰ স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত আৰু চিদলী উন্নয়ন খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ অধীনত আৰম্ভ হোৱা এই সজাগতা অনুষ্ঠানত মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়াগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিষয়াগৰাকীয়ে ৫ বছৰ বয়সৰ তলৰ শিশুসকল এই ৰোগত আক্ৰান্ত হোৱাৰ কাৰণ আৰু লক্ষণ সম্পৰ্কে বিশদভাৱে আলোচনা কৰাৰ লগতে আক্ৰান্ত শিশুসকলৰ চিকিৎসা পদ্ধতি সম্পৰ্কেও অৱগত কৰে।

একেদৰে বাক্সা জিলাতো জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ডায়েৰিয়া নিৰ্মূলকৰণ সপ্তাহ উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। ১ নম্বৰ কাটলি গাঁও অংগনবাড়ী কেন্দ্ৰৰ চৌহদত অনুষ্ঠিত সভাখনত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক তথা সংবাদ বিশেষজ্ঞ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়ববীয়াকে দৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। হাইলাকান্দি জিলাতো জিলা আয়ুক্তই এছ কে ৰয় জিলা অসামৰিক চিকিৎসালয়ত ডায়েৰিয়া নিৰ্মূল অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে ৫ বছৰ তলৰ সকলো শিশুক ডায়েৰিয়া ৰোগৰ পৰা ৰক্ষা কৰিবলৈ আশাকৰ্মীসকলক বিশেষ দায়িত্ব প্ৰদান কৰা হয়।

০০০

উত্তৰ প্ৰদেশৰ গোণ্ডাৰ সমীপত দুৰ্ঘটনাগ্ৰস্ত চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ তিনিচুকীয়া জিলাৰ যাত্ৰীসকল আজি জিলাখনত আহি উপস্থিত হয়। তিনিচুকীয়া জিলা প্ৰশাসনে যাত্ৰীসকলক সকলো ধৰণৰ সহায়ৰ হাত আগবঢ়ায়। উল্লেখযোগ্য যে যোৱা ১৮ জুলাইত ৰেল'গাড়ীখনৰ ২১টা দবা বাগৰি পৰাত ৪জন যাত্ৰীৰ প্ৰাণহানি হোৱাৰ লগতে আন ৩০ জন আহত হৈছিল। ৰে'লখনত থকা তিনিচুকীয়া জিলাৰ

২৯ গৰাকী যাত্ৰীৰ ৪ গৰাকী সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হৈছিল। আজি যাত্ৰীসকল তিনিচুকীয়া ৰে'ল ষ্টেচনত আহি উপস্থিত হোৱাৰ পাছত জিলা আয়ুক্ত স্বপ্নীল পালৰ নিৰ্দেশত কাৰ্যবাহী দণ্ডাধীশে তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়।

০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০

শাওন মেলা উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। ভক্তৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰ আৰক্ষীয়ে বশিষ্ঠ আৰু শুক্ৰেশ্বৰ দেৱালয়ৰ কৰ্তৃপক্ষক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ লগতে এ পি ডি চি এলক মন্দিৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ষ্ট্ৰীটলাইটৰ উপযুক্ত ব্যৱহাৰ আৰু পাৰ্কিঙৰ যথাযথ ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। পামহিৰ ভীমশংকৰ মন্দিৰতো ভক্তসকলৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰা হৈছে। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে শাওন মেলা উপলক্ষে দিছপুৰ সচিবালয়, কমাৰ্চ কলেজ আৰু এছ বি দেওৰা কলেজক স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে।

০০০

বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত প্ৰায় এহেজাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰী দেশলৈ উভতি আহিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া তথ্য অনুযায়ী দেশখনৰ বিভিন্ন বন্দৰ তথা স্থলপথেৰে ৭৭৮ গৰাকী ছাত্ৰ-ছাত্ৰী ইতিমধ্যে দেশলৈ ঘূৰি আহিছে। ইয়াৰ উপৰি ঢাকা আৰু চট্টগ্ৰাম বিমান বন্দৰৰ নিয়মীয়া বিমান সেৱাৰে প্ৰায় ২০০ গৰাকী ছাত্ৰ-ছাত্ৰী ঘৰলৈ উভতি আহিছে। মন্ত্ৰালয়ে জনোৱা অনুযায়ী ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ লগতে চট্টগ্ৰাম, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়ুক্তই ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰি অহাত সহায় কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া বিবৃতি অনুযায়ী স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়ুক্ত আৰু সহকাৰী উচ্চায়ুক্তসকলে ভাৰত-বাংলাদেশৰ সীমান্ত পাৰ কৰি ভাৰতীয় নাগৰিক সকলৰ নিৰাপদ যাত্ৰা সুনিশ্চিত কৰিছে। ইয়াৰ বাবে মন্ত্ৰালয়ে সামৰিক বিমান পৰিবহণ, বন্দৰ আৰু সীমা সুৰক্ষা বাহিনীৰ কৰ্তৃপক্ষৰ সহযোগিতাত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যৰ ভাৰত-বাংলাদেশ সীমান্তৰ কৰিমগঞ্জ সুতাৰকান্দি সংহত পহৰা চকীৰ জৰিয়তেও ৪১ গৰাকী ভাৰতীয় ছাত্ৰ-ছাত্ৰী বাংলাদেশৰ পৰা স্বদেশলৈ উভতি আহিছে। কৰিমগঞ্জ জিলা প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ আৰু বাংলাদেশৰ পৰা অহা ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়টোক তদাৰক কৰিবলৈ এজন দণ্ডাধীশক দায়িত্ব অপৰ্ণ কৰিছে।

০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে আজি ধুবুৰী জিলাৰ বীৰসিং জৰোৱা উন্নয়ন খণ্ডৰ অধীনত বীৰসিং গাঁও পঞ্চায়তৰ কাৰ্যালয়ত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰে। সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীৰ অধীনত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা সজাগতামূলক অনুষ্ঠানত ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে মহিলা আৰু শিশুক উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা তথা পুষ্টিকৰ খাদ্য যোগানৰ ওপৰত গুৰুত্ব আৰোপ  কৰা হয়। কৃষি বিভাগে গ্ৰহণ কৰা কাৰ্যসূচীত মাটিৰ গুণাগুণ পৰীক্ষাকৰণ, ফলমূলৰ খেতি, ৰেচম পালন ইত্যাদি বিভিন্ন স্বাৱলম্বনৰ আধাৰ বিষয়ত সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীত ধুবুৰী জিলাৰ অতিৰিক্ত আয়ুক্ত, বীৰসিং স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, ধুবুৰী জিলা কৃষি বিভাগৰ সহকাৰী উন্নয়ন বিষয়াকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০

নগাওঁ আৰক্ষীৰ এটা দলে গোপন সূত্ৰৰ পম খেদি চাইবাৰ অপৰাধৰ লগত জড়িত ৫ টা দুধৰ্ষ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। নগাওঁ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলোৱা অভিযানত ধৃত অপৰাধীকেইটাৰ ঘৰ মহাৰাষ্ট্ৰ, বৰপেটা আৰু নগাওঁৰে কছুৱাত বুলি জানিব পৰা গৈছে। অপৰাধী চক্ৰটোৱে জিলাখনৰ বিভিন্ন বেংক একাউণ্ট হেক কৰি ধন আত্মসাৎৰ ঘটনা সংঘটিত কৰি আহিছিল। অপৰাধী কেইটাৰ পৰা ৫ টা মোবাইল ফোন, কেইবাখনো এ টি এম কাৰ্ড আৰু চীম কাৰ্ড জব্দ কৰা হৈছে। নগাঁও আৰক্ষীয়ে এই সন্দৰ্ভত সদৰ থানাত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গোলাঘাট জিলাৰ হালধীবাৰী অঞ্চলত বন বিভাগে চলোৱা অভিযানত আজি দুস্প্ৰাপ্য পিপলি চেং মাছৰ সৈতে এটা সৰবৰাহকাৰীক আটক কৰা হৈছে।

ইফালে, বানপানীৰ পৰিপ্ৰেক্ষিতত বন্য প্ৰাণী সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট জিলা প্ৰশাসনে ট্ৰাক চলাচলৰ ক্ষেত্ৰত কেতবোৰ নতুন নিৰ্দেশনা জাৰি কৰিছে। এই অনুযায়ী আজিৰে পৰা পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ কাজিৰঙাৰ মাজেৰে ট্ৰাকৰ চলাচল স্বাভাৱিকভাৱে হ'ব বুলি নিৰ্দেশনা প্ৰদান কৰা হৈছে। আনহাতে, সন্ধিয়া ৫ বজাৰ পৰা পুৱা ৬ বজালৈ ট্ৰাকৰ চলাচল সম্পূৰ্ণ বন্ধ থাকিব। অন্যান্য যান-বাহনসমূহ পূৰ্বৰ দৰে স্বাভাৱিকভাৱে নিয়ন্ত্ৰিত গতিত চলাচল কৰিব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাতো ডাক বিভাগৰ বিভিন্ন আঁচনিৰ বিষয়ে গ্ৰাহকৰ মাজত সজাগতা সৃষ্টিৰ বাবে **চৌপাল** শীৰ্ষক বিশেষ অভিযান চলি আছে। আজি নগাঁও ডাক সংমণ্ডলৰ উদ্যোগত নগাঁও প্ৰধান ডাকঘৰত এই অভিযানৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ ডাক বিভাগে ৰাইজৰ উত্তৰণৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত ডাক বিভাগৰ বিষয়াসকলে ভাৰতীয় ডাক বীমা, সঞ্চয় একাউণ্ট, সুকন্যা সমৃদ্ধি যোজনা আদি বিভিন্ন আঁচনিৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে। উল্লেখযোগ্য যে এই সজাগতা অভিযান ১০০ দিনলৈ অব্যাহত থাকিব।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **পেৰিছ অলিম্পিক আৰু ভাৰত** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সাংবাদিক কুলপ্ৰদীপ ভাগৱতী আৰু সুবোধ মল্লবৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

ৰাজ্যৰ বিভিন্ন ঠাইত মহৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ বিভিন্ন কাৰ্যপন্থা হাতত লোৱা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে বানাক্ৰান্ত অঞ্চলৰ লগতে বিভিন্ন ঠাইত ধোৱা দিয়াৰ ব্যৱস্থা কৰিছে। বানৰ পাছত মহে বিয়পাব পৰা মেলেৰীয়া, জাপানীছ এনচেফেলাইটিছ, ডেংগু ইত্যাদি ৰোগসমূহ প্ৰতিহত কৰিবলৈ জিলা প্ৰশাসনে এই কাৰ্যপন্থা গ্ৰহণ কৰিছে। ইফালে মৰিগাওঁ জিলাতো শিক্ষা বিষয়াৰ কাৰ্যালয়ত জাপানীজ এনচেফেলাইটিছ, ডেংগু, মেলেৰীয়া আদি বাহকজনিত ৰোগৰ বিষয়ে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। বানপানীৰ পৰৱৰ্তী সময়ত প্ৰদূষিত পানী আৰু মহে বিয়পাব পৰা ৰোগসমূহৰ লক্ষণ আৰু প্ৰতিৰোধৰ ব্যৱস্থাৰ বিষয়ে সভাখনত সমবেত ছাত্ৰ-ছাত্ৰী  আৰু অভিভাৱকসকলক অৱগত কৰা হয়।

০০০

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত আজি থাইলেণ্ডে  মালয়েছিয়াক ২২ ৰানত পৰাস্ত কৰে। টছত জিকি থাইলেণ্ডে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মালয়েছিয়াই ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

আনহাতে কিছু সময়ৰ পাছতে আন এখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব। ইপিনে ভাৰত কাইলৈ দিনৰ ২ বজাত ইউএইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।